# প্ৰতিবিম্ব

পৰাগ কুমাৰ ডেকা

সৰু ছোৱালীজনীৰ খৰা হাতৰ মলিয়ন চোলাটোৰ বাঁও কান্ধখন নামি আহি বাহুত পৰিছেহি। সেমেকা সোঁহাতখনৰ পিঠিৰে তাই কপালত আহি পৰা চুলি একোচা ওপৰলৈ ঠেলি পঠিয়াইছে। ৰাতিপুৱাৰ কেঁচা ৰ'দ পৰি তাইৰ তেল নসনা মামৰৰঙী চুলিবোৰ জিলিকিব লাগিছে; শাও বৰণীয়া নাকটোত তাইৰ ফুলি এটা তিৰবিৰাইছে। তাইৰ সমুখত এদ'ম বাচন—চৰু, গিলাচ, হেতা ইত্যাদি লাংখা-লিংখি বস্তু। প্লাষ্টিকৰ খাৰু পিন্ধা বাঁও হাতখনেৰে তাই কেৰাহি এটা ধৰি আছে। তাইৰ মূৰৰ ঠিক ওপৰতে ৰাজহুৱা পানীৰ কল এটাই তলমূৰকৈ তাইলৈ চাব ধৰিছে। তাইৰ বাঁওহাতে, অলপ দূৰত মেকুৰী এজনীয়ে ডিঙিটো হাওলাই কিবা এটা খাবলৈ ধৰি চমকি উঠি ওপৰলৈ চাইছে। ছোৱালীজনীৰ মুখত যেন... যেন... শিশুসুলভ কোমলতা আছে ঠিকেই, কিন্তু ৰাতিপুৱাৰ সেই ৰৌদ্ৰোজ্জ্বল কোমলতাটো নাই। কিবা এক গোমা গোমা, অথবা সঠিকভাৱে ক'বলৈ গ'লে এক ৰুক্ষ নিৰ্বিকাৰ ভাব।

অনুভা অনন্যা বৰ মস্কিলত পৰিল। কি কৰা যায় এতিয়া?

'এইখন কোনে লোৱা ৰতন?'

'এইখন বাইদেউ, লাচিত গগৈয়ে লোৱা।' ৰতন কলিতাই ৰঙা পৰি থকা নাকটো ৰুমালেৰে মচি ক'লে।

'অ'! তুমি কৈছিলা, নে...?'

'হয় বাইদেউ, মই তাক কিতাপখনৰ থিমটো কৈ দিছিলোঁ। সি পাঁচখন ফ'ট' দিছিল। মই তাৰে মাজৰ পৰা এইখন ছিলেক্ট কৰিলোঁ।'

'বাকী কেইখন আছে নেকি তোমাৰ লগত?'

'নাই বাইদেউ; মানে এতিয়া লগত নাই। মোৰ কিন্তু বাইদেউ এইখনেই ভাল লাগিছে।'

'অ, এইখনো বেয়া নহয়,' অনুভা অনন্যাই অতিশয় সাৱধানতাৰে ক'লে। 'কিন্তু ৰতন, বাকী কেইখনো এবাৰ চাব পৰা হ'লে ভাল আছিল নেকি!'

ৰতন কলিতাই অমায়িকভাৱে ক'লে, 'ভাল বাৰু বাইদেউ।' এইবুলি হাঁচি এটা মাৰি, 'চৰি! মই নে'ট্ আহিলে লৈ আহিম বাইদেউ সেইকেইখন। আপুনিও কিন্তু লাষ্টত এইখনেই ছিলেক্ট কৰিব। বাকীকেইখন কাভাৰৰ কাৰণে চুইটেবল্ নহ'ব। আই মিন্, ৰেগ্ পিকাৰ, ৰিক্সাৱালা পোৱালী আৰু তেনেকুৱা কিবা-কিবি। আপোনাৰ কিতাপখনৰ কাৰণে এইখনেই ভাল হ'ব, সেইখন ৱিমিনয্ ইশ্যুযৰ ওপৰত যিহেতু।' ৰতন কলিতাই অনুভা অনন্যাৰ মুখত সঘনাই শুনি থকা 'ৱিমিনয্ ইশ্যুয্' শব্দ দুটা যথাসম্ভৱ শুৱলাকৈ উচ্চাৰণ কৰিবলৈ চেষ্টা কৰি ক'লে।

'সেইটো হয়...। বুট্, ষ্টিল্... এইখন ফ'ট'ত কিবা এটা যেন মিছিং মিচিং!'

এইবুলি অনুভা অনন্যাই সোঁহাতৰ শুলপীয়া তৰ্জনী আঙুলিটো তেওঁৰ বগা গালখনৰ ওপৰত থৈ কিছুপৰ কিবা ভাবিলে, তাৰ পাছত হঠাতে মনত কিবা গধুৰ চিন্তা এটি খেলোৱাৰ দৰে মূৰটো লৰাই চিন্তা-মন্থৰ সুৰেৰে ক'লে—

'আচ্ছা ৰতন, এই ফ'ট'খন কিবা গিমিক্ যেন নালাগিবনে? মানে ধৰা অলপ অতিমাত্ৰা ৰহণ সনা যেন? কাৰণ যদিও মোৰ কিতাপখনৰ বিষয়বস্তু চচাইল্ড লেইবাৰ, অ'ৰ, টু বি প্ৰিচাইছ, ফিমেইল চচাইল্ড লেইবাৰ, এইখন কিবা ফৰ্চড্, বা পাঠকৰ, অথবা কাভাৰটোৰ দৰ্শকৰ ওপৰত জাপি দিয়া যেন নালাগিবনে? আৰু মোৰ পাৰ্চপেক্টিভ্টো বাদ দিলেও এই ফ'ট'খন বেছি ডিৰেক্ট হ'ব।' অনুভা অনন্যাই নিজৰ বাক্-চাতুৰ্যত মনে মনে গভীৰ সন্তুষ্টি অনুভৱ কৰি কৈ গ'ল—'তাৰমানে মই কি কৈছোঁ বুজিছানে? মানে মই এই কাভাৰটো অলপ চাজেষ্টিভ হোৱাটো বিচাৰিছোঁ। মানে ধৰা একদম একেবাৰে এনেকুৱা ফ'ট' এখন দিয়াতকৈ অলপ যদি প্ৰতীকধৰ্মী বা তেনেকুৱা কিবা এখন ফ'ট' দিব পাৰি—যিখনে ধৰা কাহিনীটোকো ৰিফ্লেক্ট কৰিব, কিন্তু তাৰ লগত একো পোনপটীয়া সম্পৰ্কও নাথাকিব। বুজিছানে? ৰট ডু ইউ ছাজেষ্ট?'

ইমান পৰে একো নামাতি মনে মনে বহি থকা ৰতন কলিতাই অনুভা অনন্যাই তেওঁৰ কথা শেষ কৰা যেন পাই তেওঁ কওঁ নকওঁকৈ ক'লে, 'মই কিন্তু বাইদেউ এই ফ'ট'খনো ইমান বেয়া পোৱা নাই। আৰু ইয়াৰ, এই লাচিতৰ ফ'ট'বোৰ ইমান বেয়া নহয়। হি ইজ এ' প্ৰফেশ্বল্যান...'

'নাই নাই, দ্য ফ'ট' ইজ এবশ্বলিউট্লি অও-ৰাইট,' অনুভা অনন্যাই ব্যস্তভাৱে কৈ উঠিল। 'দ্য কম্পজিশ্যন ইজ... কম্পজিশ্যনটোও খুবেই ধুনীয়া, আৰু লাইট এণ্ড শ্বেডৰ কণ্ট্ৰাষ্টটোও বৰ ভাল হৈছে। কিন্তু সেইটো মোৰ পইণ্ট নহয়। ফ'ট'খন অলপ চিম্বলিক বা চাজেষ্টিভ হোৱাটোহে বিচাৰিছোঁ মই। মানে এতিয়া এইখন নভেল হৈ গ'লতো। গতিকে কাভাৰখনো...।' এইবুলি অনুভা অনন্যাই গম্ভীৰ সুৰেৰে ক'লে, 'সাহিত্য বস্তুটোৰেই মেইন্লি চিম্বলিক নহয় জানো? কাভাৰখন কিতাপ এখনৰ বিষয়বস্তুৰ আৰু লিখকৰ প্ৰতিবিম্বৰ নিচিনা। ৰিফ্লেকশ্বন এটা। গতিকে পাঠকে কাভাৰখন চায়েই কিতাপখন জ্জাজ্ কৰিব পাৰিব লাগিব। বুজিছানে মোৰ কথাটো?

'বুজিছোঁ বাইদেউ। হ'ব বাৰু, আপুনি মোক জনাব। মই বাইদেউ উঠোঁ তেন্তে। কাম এটা আছে।'

ৰতন কলিতাই ইমান গুৰুত্বপূৰ্ণ বিষয়টোৰ এনে বেৰসিক ভাবে মোখনি মৰা দেখি অনুভা অনন্যাই মনে মনে অলপ আঘাত পালে যদিও সৌজন্যৰ খাতিৰত ক'লে, 'যোৱাইনে? চাহ নোখোৱা? ৰ'বা,

মই চাহ আনিবলৈ কওঁ।'

'নালাগে বাইদেউ, মই ফ'ট'খন দিবলৈহে সোমালোঁ। কাম এটা আছে, চাহ খালে দেৰি হৈ যাব।'

'ঠিক আছে বাৰু, যোৱা তেনেহ'লে। তোমালোক ডেকা ল'ৰা, এতিয়াই বয়স আৰু; যিমান পাৰা কেৰিয়াৰটো বনাই লোৱা এতিয়াই।'

'আমাৰনো আৰু কি কেৰিয়াৰ, বাইদেউ? বেপাৰী মানুহহে আৰু।' ৰতন কলিতাই হাঁহি এটা মাৰি ক'লে।

'কিয় নহ'ব!' অনুভা অনন্যাই খন্তেক আগৰ বিষকণ পাহৰি আবেগ ভৰা উম্মাৰে ক'ব ধৰিলে, 'পাব্লিছিং ইজ আ লুক্ৰেটিভ কেৰিয়াৰ নাও-আ-ডেজ। আমাৰ মানুহহে কেৰিয়াৰ বুলি ক'লে এতিয়াও ডক্তৰ, ইঞ্জি...'

'তাকেই! কি ক'ব আৰু,' ৰতন কলিতাই অনুভা অনন্যাৰ কথাৰ মাজতে হুমুনিয়া এটা পেলাই থিয় হ'ল। 'মই তেন্তে বাইদেউ গৈ থাকোঁ। আপুনি এই ফ'ট'খন যদি এপ্ৰুভ কৰে মোলৈ ফ'ন এটা কৰি দিব। মই কাভাৰটো প্ৰিন্ট কৰিবলৈ দি দিম। ৰিলিজৰ কাৰণে বুক্ ফেয়াৰত শ্লট্ বুক কৰিব আছেই...'

ৰতন কলিতা যোৱাৰ পাছত অনুভা অনন্যাই তেওঁৰ কম্পিউটাৰৰ পৰ্দাত বাৰে বাৰে ফটোখন চাবলৈ ধৰিলে—এবাৰ ওচৰৰ পৰা, এবাৰ দূৰৰ পৰা। বাৰে বাৰে তেওঁ সেইখন তেওঁৰ কিতাপখনৰ বেটুপাতৰ ৰূপত কল্পনা কৰিবলৈ চেষ্টা কৰিলে। কিন্তু তথাপিও তেওঁৰ মনটোৱে শান্তি নাপালে। সেই একেটাই ভাব—কিবা এটা যেন নাই নাই! শেষত তেওঁ লেপ্‌টপটো জপাই থ'লে।

ৰাতি ভাত-পানী খোৱাৰ পাছত আকৌ কিছু পৰলৈ ফটোখন চোৱাৰ পাছত বিচনাত পৰি অনুভা অনন্যাই দৃঢ় মনেৰে ভাবিলে, 'নাই, সেইখন ফ'ট' নিদিওঁ। সেইখনৰ কোনো চিম্বলিক ভ্যেলিউ নাই। বুট্, ষ্টিল্...' এইবুলি হঠাতে কোনো স্পষ্ট কাৰণ নোহোৱাকৈয়ে তেওঁ পুনৰ দোধোৰমোৰ অৱস্থাত পৰিল, আৰু মনতে সুৰ লগাই আওৰাবলৈ ধৰিলে—'কি কৰোঁ? দিওঁ নে নিদিওঁ? টু ডু অৰ নট্ টু ডু? টুডু অৰ নট্ টুডু?' শেষত ভাবিলে, 'নাই, কালিলৈ ৱেইট কৰোঁ। চাওঁ, কি ডিচিছন লয় মোৰ চাব্-কনশ্চাছ্ মনে।' এইবুলি ভাবি তেওঁ মিচিকিয়াই হাঁহি এটা মাৰিলে—হঠাতে যেন নিজৰ অৱচেতন মনটোলৈ মৰম লাগি গ'ল তেওঁৰ।

পাছদিনা দিনটো অনুভা অনন্যাই বেটুপাতখনৰ কথা চিন্তা কৰাৰ সময়ে নাপালে। আগবেলাটো কিবাকিবি শ্বপিং কৰা, বেংকৰ কাম কৰা, পাছবেলা আকৌ তেওঁৰ চাৰি বছৰীয়া নুমলীয়া ছোৱালীজনীক টিউচনলৈ নিয়া, তাৰ পৰা বাহিৰে বাহিৰে তাইক ডান্সৰ স্কুলত থ'বলৈ যোৱা—এইবোৰ কৰোঁতেই দিনটো গ'ল। তাতে পাছদিনা হাজ্‌বেণ্ডো আহিব। পৰহিলৈ ড্ৰীনাৰ, অৰ্থাৎ তেওঁৰ ছোৱালীজনীৰ স্কুলত পেৰেণ্টচ্ মিট্ আছে। নাহিলেও উপায় নাই। নহ'লেতো মানুহটোৱে ছুটী নাপায়েই।

পাছদিনা আবেলি গিৰিয়েকে জিৰাই-শঁতাই উঠাৰ পাছত অনুভা অনন্যাই লেপটপটো আনি তেওঁক ৰতন কলিতাই দি যোৱা ফটোখন দেখুৱালে। গিৰিয়েকে ফটোখন দেখি উৎসাহেৰে ক'লে, 'আঃ! বঢ়িয়া!' এই বুলি তেওঁ কম্পিউটাৰটো ওচৰলৈ টানি আনি ফটোখন মনোযোগেৰে চাই ক'লে, 'ভাল ভাল। গুড্ জব্। কোনে লৈছে এইখন?'

'নাজানো, মনত নাই,' অনুভা অনন্যাই বিৰক্তিৰে ক'লে। গিৰিয়েকে অনুভা অনন্যাৰ অসন্তুষ্টিলৈ মন নকৰি ফটোখন ভালদৰে চাই কৈ গ'ল, 'ভাল হৈছে। গুড্ এগ্‌জিকিউছন। এইখন অলপ ইফে" দি, ভালকৈ দি দিলেই হ'ল।'

অনুভা অনন্যাই অলপ পৰ মনে মনে থাকি ক'লে, 'নাই, এইখন নিদিওঁ।'

'হ্ৱাই?' গিৰিয়েকে চকু দুটা বহলকৈ মেলি অনুভা অনন্যালৈ চাই সুধিলে। তেতিয়া তেওঁ গিৰিয়েকক সাহিত্যৰ প্ৰতীকধৰ্মীতা; কিতাপৰ বেটুপাতখনৰ নান্দনিক গুৰুত্ব আৰু কিতাপ এখনৰ সামগ্ৰিক মূল্যায়নত বেটুপাতখনৰ ভূমিকা, আৰু বেটুপাতখন যে কিতাপ এখনৰ আৰু তাৰ লেখকৰ ব্যক্তিত্বৰ প্ৰতিবিম্ব স্বৰূপ, এই কথাবোৰ বুজাই দিলে।

'তেতিয়া হ'লে তুমি কি ডিছাইড কৰিছা?' গিৰিয়েকে অনুভা অনন্যাক সমীহেৰে সুধিলে।

'চাওঁচোন। মই পেইন্টিং এখন দিম বুলি ভাবি থৈছোঁ।'

'কি পেইন্টিং? মল্লিকাৰ নেকি?'

'কোন মল... নাই নাই, মল্লিকাৰ নহয়। মল্লিকা!' অনুভা অনন্যাই নাকটো কোঁচাই বিতৃষ্ণাৰে ক'লে। 'এইখন হৈছে 'অলিম্পিয়া' বাই এডৱা ম'নেই।'

অনুভা অনন্যাই নাটকীয় সুৰত কথাখিনি কৈ গিৰিয়েকৰ প্ৰতিক্ৰিয়ালৈ বাট চাই ৰ'ল। গিৰিয়েকেও 'আমিনো চাইন্সৰ মানুহে এইবোৰ কি বুজোঁ' ভাবত ঘৈণীয়েকে আৰু কিবা কোৱালৈ বাট চাই থাকিল। অনুভা অনন্যাই গিৰিয়েকৰ মৌনতাক নিৰ্লিপ্ততাৰ লক্ষণ বুলি ভাবি মনে মনে আহত হ'ল, আৰু গিৰিয়েকৰ কাষৰ পৰা উচাট মাৰি উঠি যোৱাৰ কথা ভাবিলে। কিন্তু পাছ মুহূৰ্ততে এগৰাকী সমাজ সচেতন লেখিকা হিচাপে তেওঁৰ পৰিপক্ক ব্যক্তিত্বৰ কথা মনলৈ অহাত গহীনাই কম্পিউটাৰতে গিৰিয়েকক উক্ত চিত্ৰখনৰ প্ৰতিলিপি এখন উলিয়াই দেখুৱালে। গিৰিয়েকে ছবিখনৰ বিবসনা স্বেতবৰ্ণ নাৰীগৰাকী আৰু তেওঁৰ পাছফালৰ কৃষ্ণকায় দাসীজনীলৈ কিছুপৰ চাই থাকি সুধিলে, 'কি কৈছিলা নামটো?'

'অলিম্পিয়া।'

'ন' ন', দ্য প্যেইণ্টাৰ?'

'অ'! এডৱা ম'নেই।'

'ফ্ৰেন্স?'

'ন'। আই থিংক জাৰ্মান।'

'এডৱা ম'নেই জাৰ্মান কেনেকৈ হ'ব? নামটো ফ্ৰেন্স যেনহে লাগিছে।' অনুভা অনন্যাই একো নামাতিলে। গিৰিয়েকে ছবিখনৰ বিবসনা নাৰীগৰাকীক ওচৰৰ পৰা মনোযোগেৰে চাবলৈ ধৰা দেখি তেওঁ লেপটপটো টান মাৰি আঁতৰাই নিলে, আৰু গিৰিয়েকলৈ প্ৰশ্নবোধক চাৱনিৰে চালে। গিৰিয়েকে চাৱনিটোৰ অৰ্থ বুজি অনুভা অনন্যালৈ চাই সেমেকা হাঁহি এটা মাৰি কান্ধ দুখন ওপৰলৈ দাঙি সুধিলে—

'তুমি এইখন ফ'ট' দিম বুলি ভাবিছা?'

'ক'লোঁৱে দেখোন। কেইবাৰ ক'ম? আৰু এইখন ফ'ট' নহয়, পেইন্টিং।'

'নহয়, তাকেইতো। কিন্তু পেইণ্টিঙৰে ফ'ট'তো, গতিকে আলটিমে'টলি...'

'হ'ব, মোক জ্ঞান দিব নালাগে। তুমি পেইণ্টিঙখন কেনেকুৰা পালা সেইটো কোৱা।'

'পেইণ্টিঙখন ভাল। মইতো আৰু আৰ্ট-চাৰ্ট এইবোৰ বেছি নুবুজোঁ। চাইন্সৰ মানুহ আমি।' গিৰিয়েকে আহত মাতেৰে ক'লে। তাৰ পাছতে তেওঁ হঠাতে গহীনাই ক'বলৈ ধৰিলে, 'কিন্তু এটা কথা, তোমাৰ কিতাপখনৰ কাভাৰৰ কাৰণে এইখন চুইটেবল্ হ'ব জানো? অফ কৰ্চ, মোতকৈ তুমি ভালকৈ বুজিবা, তোমাৰ কিতাপ যিহেতু। কিন্তু, আই মিন্, তুমি কি ভাবা?'

'মই একো নাভাবোঁ।'

'নাই নাই, তুমি মোক প্ৰুডিশ্ব বুলি নাভাবিবা। কিন্তু এই পেইণ্টিঙখনৰ ফ'কাচটো...মানে সেই নে'কে'ড ছোৱালীজনী...'

'সেইটোক ন্যুড্ কয়, নেইকে'ড নকয়! অলপ কেয়াৰফুলি...'

'ঠিক আছে ভাই, "ন্যুড্"। হৈছেনে? এই পেইণ্টিঙখনৰ ফ'কাচটো হ্বাইট ন্যুড্ মডেলজনীৰ ওপৰতহে আছে...'

'ছ'?'

'ছ' মানে তোমাৰ সেই ব্লেক কামকৰা মেইডজনীতো বেকগ্ৰাউণ্ডতে থাকি গ'ল। কিন্তু তোমাৰ কিতাপখনৰ মেইন ফ'কাচটোৱেই হৈছে...'

'আৰে সেইটোৱেইতো মই দেখুৱাব খুজিছোঁ না, যে আমাৰ সমাজৰ বনকৰা মাইকী মানুহবোৰ চাব্‌ৰ্ল্টান, ডেট্ দেই আ ইন্‌ভিজিবল্।'

অনুভা অনন্যাৰ কথা শুনি গিৰিয়েকে সমীহৰ ভাবেৰে মনে মনে থাকিল। অনুভা অনন্যাই এইবাৰো গিৰিয়েকৰ মৌনতাক অসন্মতিৰ লক্ষণ বুলি ভাবি খঙেৰে আটাইবোৰ ফাইল, ফ'ল্ডাৰ বন্ধ কৰি কম্পিউটাৰটোও বন্ধ কৰিব ধৰোতে গিৰিয়েকে প্ৰায় চিঞৰ মাৰি উঠিল—'ৰ'বা ৰ'বা! অফ নকৰিবা। ৱালপে'পাৰখন চাওঁ।'

অনুভা অনন্যাই বিৰক্তিৰে ৰৈ গ'ল। গিৰিয়েকে কম্পিউটাৰটো কোলাত তুলি লৈ কম্পিউটাৰটোৰ পৰ্দাখনত পটভূমি ৰূপে থকা ঘৈণীয়েকৰ ফটোখন চাবলৈ ধৰিলে, আৰু ক'লে—

'বাঃ, কেতিয়া তুলিলা এইখন! ভাল লাগিছে। এই কুৰ্তাটো নতুন নেকি?' এইবুলি কৈ ঘৈণীয়েকে তেওঁৰ ফালে খঙ আৰু সন্দেহৰ চাৱনিৰে চাই থকা দেখি ক'লে—

'ন', ৰিয়েলি। আই মিন ইট্। ভাল লাগিছে।' এইবুলি কৈ তেওঁ 'এতিয়াহে একদম সাহিত্যিক যেন লাগিছে' বুলি ক'ব খুজি ঘপ্ কৰে ৰৈ গ'ল, আৰু কথাষাৰ মুখৰ পৰা ওলাই নহা বাবে ঈশ্বৰক ধন্যবাদ দি ক'লে, 'ইউ আৰ লুকিং গুড। লুকিং হট্! কেতিয়া তুলিছা এইখন?'

অনুভা অনন্যাই তেওঁৰ ওঁঠ দুখন দুকোণে টানি নিব খোজা আনন্দৰ হাঁহিটো বশ কৰি গহীনাই উত্তৰ দিলে—

'হ'ল কেইদিনমান। লাষ্ট ৱিক লোৱা।'

'নতুন ডিজিকেমটোত?'

'অঁ।'

'কোনে লৈছে স্নেপটো? ভাল হৈছে।'

অনুভা অনন্যাই অলপ সময় একো নামাতিলে, কিন্তু গিৰিয়েকে সাগ্ৰহে তেওঁৰ উত্তৰলৈ অপেক্ষা কৰি থকা দেখি গহীনাই ক'লে—

'মই।'

'তুমি? কেনেকৈ!'

'কি কেনেকৈ? টাইমাৰ দি।'

এইবুলি অনুভা অনন্যাই মিছা গাম্ভীৰ্য দেখুৱাই হাতত কম্পিউটাৰটো লৈ কোঠাটোৰ পৰা উচাট মাৰি ওলাই গ'ল।

ইয়াৰ দুদিন পাছত অনুভা অনন্যাই ৰতন কলিতাক ফোন কৰি ক'লে—

'আঁ, ৰতন, মই তোমাক কাভাৰৰ কাৰণে ফ'ট' এখন পঠিয়াইছোঁ হাঁ। য়া য়া, মেইল কৰিছোঁ। না না, সেইখন নহয়, বেলেগ এখন। মানে মোৰেই ফ'ট' এখন, মোৰ নিজৰ। তুমি অলপ চাই দিবা দেই ডিজাইনটো, আৰু মোক এবাৰ দেখাবা। মেইল কৰি দিলেও হ'ব। য়া য়া।'

বেটুপাতখনৰ সিদ্ধান্তটো হৈ যোৱাৰ পাছত অনুভা অনন্যাৰ মনটো ভালেখিনি পাতল লাগিল। তেতিয়াহে তেওঁ কিতাপখনৰ লগত জড়িত বাকীবোৰ কথা ভালকৈ ভাবিবলৈ আহৰি পালে। যেনে, তেওঁ ভাবিব ধৰিলে পাঠকৰ ৰেছ্‌পন্স কেনে হ'ব। ইমান ব'ল্ড চাবজেক্ট এটা লৈছে তেওঁ! অলপ চেন্সিটিভ সমালোচক হ'লেহে কিতাপখন ভালকৈ এপ্ৰিচিয়েইট্ কৰিব পাৰিব। অথবা, মানুহে ইয়াৰ গে'ট-আপ্‌টো কেনে পাব? অনুভা অনন্যাৰ মন-নিকুঞ্জত তেওঁৰ কিতাপখন সম্পৰ্কে পাঠক-সমালোচকৰ বিভিন্ন সাম্ভাব্য প্ৰশংসাবাণী গুঞ্জৰি উঠিবলৈ ধৰিলে— 'নিৰৱচ্ছিন্নভাৱে চিন্তা-চৰ্চা, লিখা-পঢ়াৰ মাজতেই বুৰ গৈ থকা শ্ৰীমতী অনুভা অনন্যাৰ গ্ৰন্থসমূহ সাধাৰণতে এক সংবেদনশীল নান্দনিক গুণৰ বাবে জনা যায়। এইখন কিতাপৰ ক্ষেত্ৰতো কিতাপখনৰ সুস্পষ্ট ছপা, সুন্দৰ শক্তিশালী বাইণ্ডিং, আৰু ৰুচিসন্মত বেটুপাতে সোণত সুৱগা চৰাইছে। বিশেষকৈ কিতাপখনৰ বেটুপাতে কিতাপখনৰ সৌন্দৰ্য বহুগুণে বৃদ্ধি কৰিছে বুলি আমাৰ বিশ্বাস।'

তেওঁৰ মনত খেলালে তেওঁ দেখোন ইলোৱাকে লিখিব দিব পাৰে কিতাপখনৰ ৰিভিউ এটা। তাই তেওঁৰ আগৰ সেই বেংকক আৰু ইউ. এছ. ভ্ৰমণৰ কিতাপখনৰো ভাল ৰিভিউ লিখিছে, আৰু তাইৰ কন্‌টেম্পৰাৰী লিটেৰেচ্চাৰৰ আণ্ডাৰষ্টেণ্ডিংটোও ভাল।

কিছুমান কথা তেওঁ ইণ্টাৰভিউত নিজেও ক'ব পাৰিব। সেইদিনা *প্ৰহৰী 24×7* নিউজ চেনেলটোৰ ভাস্বতীয়ে ফোন কৰিছেই তেওঁক, ইণ্টাৰভিউ এটা বিচাৰি। তেওঁহে টাইম দিব নোৱাৰিলে। তাতো ক'ব পাৰিব নে'ট্ টাইম। 'আজিৰ "চেলিব্ৰেটি ম'ষ্ট্ ৱাণ্টেড" অনুষ্ঠানত এয়া ভাস্বতী ফুকনৰ সৈতে অসমৰ জনপ্ৰিয় লেখিকা অনুভা অনন্যা।'

যথাসময়ত গ্ৰন্থমেলাৰ প্ৰাংগনত অনুভা অনন্যাৰ নতুন কিতাপখনৰ উন্মোচন সম্পন্ন হ'ল। উন্মোচক উমা গোস্বামীয়ে অনুভা আইদেউৰ দৰে এচাম ডেকা-ডেকেৰীয়ে অসমীয়া সমাজ-জীৱনৰ এনে সংকট কালত ভাষা-সাহিত্যৰ সেৱা কৰিবলৈ আগবাঢ়ি অহাটো এক জাতীয় শুভ লক্ষণ বুলি অনুভৱ ব্যক্ত কৰি অনুভা আইদেউৰ শিল্পই ভৱিষ্যতে অধিক পৰিপক্কতা লাভ কৰিব বুলি আশা প্ৰকাশ কৰিলে।

অনুভা অনন্যাই অতিশয় ধৈৰ্য আৰু নম্ৰতাৰে উমা গোস্বামীৰ কথাখিনি শুনিবলৈ চেষ্টা কৰিলে যদিও তেওঁৰ মনত ক্ষোভ থাকি গ'ল। বিশেষকৈ উমা গোস্বামীয়ে কিতাপখন উন্মোচন কৰোঁতে এবাৰো

কিতাপখনৰ বিষয়বস্তুৰ অভিনৱত্ব সম্পৰ্কে, অথবা কিতাপখনৰ নান্দনিক শোভাৰ বিষয়ে উল্লেখ নকৰা কথাটোৱে অনুভা অনন্যাক বেছিকৈ বিৰক্ত কৰিছিল। তেওঁকতো কিতাপখনৰ কপি এটা আগদিনা ৰাতিয়েই দিয়া হৈছিল। আৰু কিতাপ এখনৰ চাবজেক্ট মেটাৰ বা ফিল'ছফিখিনি বাৰু চবেই বুজি নাপাব পাৰে, কিন্তু কাভাৰটোতো ভিজুৱেল বস্তু এটা। সেইখিনি এইছ্থেটিক্ চেন্সটো সৰু বাচ্চা এটাৰো থাকে। এইবোৰ কাৰণতে যে তেওঁৰ মাজে মাজে ডিপ্ৰেছন হয়!

কিতাপখন উন্মোচনৰ পাছত কিছু সময় ইফাল-সিফাল কৰি থাকি অনুভা অনন্যা ঘৰলৈ ওভটিল। আবেলি পুনৰ গ্ৰন্থমেলা আহি পাওঁতে মানুহৰ ভিৰ ভালেখিনি বাঢ়িছে। এইটো এটা খুব ভাল লক্ষণ—মূল তোৰণৰ সমুখত থিয় দি মানুহৰ শাৰীবোৰলৈ চাই অনুভা অনন্যাই ভাবিলে। মানুহৰ কিতাপ পঢ়া অভ্যাসটো অলপ হ'লেও গঢ় লৈ উঠিলে কিতাপৰ ব্যৱসায় কৰিবলৈ আগবাঢ়ি অহা অসমীয়া ল'ৰা কেইটাইও মনত অলপ সাহস পাব। মাক-দেউতাকৰ হাতত ধৰি ৰঙীন ইংৰাজী কিতাপৰ টোপোলা হাতত লৈ গ্ৰন্থমেলাৰ পৰা ওলাই অহা সৰু সৰু ল'ৰা-ছোৱালীবোৰক দেখি অনুভা অনন্যাৰ মনত পৰিল তেওঁৰ ক্লাছ ফ'ৰত পঢ়া ডাঙৰ ল'ৰাটোৱে তেওঁক কিবা কমিকছ্ কেইখনমান আৰু ৰং বোলাব পৰা ছবি থকা কিতাপ দুখনমান নিবলৈ কৈছিল। এইবোৰ সেই ক'লকাতাৰ ষ্টলকেইখনতে পোৱা যাব কিজানি, তেওঁ ভাবিলে। পিছ মূৰৰ চুলিখিনিত আলফুলে হাত বুলাই মনতে লাউড স্পীকাৰত বাজি থকা গান এটা গুণগুণাই তেওঁ ৰতন কলিতাহঁতৰ 'ইউৰ' বুকছ্'-ৰ বিপনীৰ ফালে পোনালে।

ইউৰ' বুকছ্‌ৰ বিপনীখনৰ চন্দুকত ৰতন কলিতা নিজে বহি আছিল। 'হেল্ল', গুড় ইভনিং! আঃ, এইবাৰ ডাবল ৰুম ল'লা!' অনুভা অনন্যাই সোমায়েই উচাহেৰে ক'লে।

'অ', গুড় ইভনিং বাইদেউ। কেতিয়া আহিলে?' ৰতন কলিতাই গ্ৰাহক এজনক পাওনাখিনি ওভোটাই দি ক'লে।

'জাষ্ট। সোমায়ে ডাইৰেক্ট ইয়ালৈ আহিছোঁ। ডাবল ৰুম ল'লা?' অনুভা অনন্যাই ইফালে সিফালে চাই আকৌ এবাৰ সুধিলে।

'অঁ বাইদেউ, এইবাৰ ডাবল লৈ দিলোঁ। এইট বাই টে'নটো অলপ চাফ'কেইটিং হৈ যায়। অলপ উশাহ-নিশাহ ল'বলৈ ঠাই লাগেতো। দাদা আহিছে নেকি?'

'নাই নাই, অকলে। ভাল লাগিছে দেই।' এইবুলি দুখনমান ৰেকত ওপৰে ওপৰে চকু ফুৰাই ক'লে, 'ৰতন, মই মোৰ কিতাপখনৰ কপি পোৱাই নাই নহয়।'

ৰতন কলিতাই ব্যস্ত হৈ ক'লে, 'অ, ৰ'ব ৰ'ব। তেতিয়া তাৰমানে বাণ্ডলবোৰ প্ৰেছৰ পৰা আহি পোৱাই নাছিল। অকল ৰিলিজৰ কাৰণে দুখনমান আনিছিলোঁ কালিতেই।' এইবুলি সি ওচৰত থকা ল'ৰাটোক ক'লে, 'এই বাইদেউৰ পেকেটটো দি দিয়াচোন।'

অনুভা অনন্যাই ল'ৰাটোৰ হাতৰ পৰা মোনাটো হাতত লৈয়েই তাৰ পৰা কিতাপ এখন উলিয়াই চৌপাশৰ মানুহখিনিৰ উপস্থিতিৰ প্ৰতি সচেতন হৈ সেইখনৰ গোন্ধ ল'লে, আৰু সেইদৰে গোন্ধ লোৱাটো কোনোবাই দেখিলেনে নাই গম ল'বলৈ আঁৰ চকুৰে ইফালে সিফালে চালে। কিন্তু কিতাপৰ প্ৰতি থকা তেওঁৰ সাধাৰণ মৰমখিনি কোনেও মন নকৰাত অনুভা অনন্যা কিছু হতাশ হ'ল। তাৰ পাছত বেটুপাতত নিজৰ ছবি থকা কিতাপখন বেছি সময় হাতত লৈ থাকিলে বেয়া দেখাব বুলি সেইখন মোনাটোত সুমুৱাই থ'লে। তেওঁ নতুন কিতাপখন ৰেকতেই আটাইৰে অলক্ষিতে হেঁপাহ পলুৱাই চাই লওঁ বুলি ইফালে-সিফালে চকু ফুৰাই কুকুঁৰাই উঠিল—

'ৰতন মোৰ কিতাপ ক'ত?'

ৰতন কলিতাই ৰচিদ এখন লিখি থকাৰ পৰা মূৰ নোতোলাকৈ মিচিকিয়া হাঁহি মাৰি ক'লে, 'নাই, এইবাৰ আপোনাৰ কিতাপ অনা নাই।'

অনুভা অনন্যাই 'হুঁ!' বুলি মানুহৰ মাজেৰে বেঙা মেলি মেলি ৰেকবোৰ জুমি চাবলৈ ধৰিলে। এচুকৰ পৰা তেওঁ দেখিলে কোঠাটোৰ আনটো চুকৰ ৰেক এখনত তেওঁৰ কিতাপবোৰ একেলগে সজাই থোৱা আছে। ৰেকখনৰ সমুখতে ল'ৰা কেইটামানে জুম বান্ধি কিবা-কিবি কিতাপ চাব ধৰিছে। সিহঁতৰ মূৰৰ ওপৰৰ খলপা এটাত থিয় হৈ থকা তেওঁৰ নতুন কিতাপখনৰ বেটুপাতখনত আন এজনী অনুভা অনন্যাই খিৰিকি এখনৰ মাৰিত ধৰি উন্মনা ভাবেৰে খিৰিকিৰ বাহিৰলৈ চাই আছে। তেওঁ ল'ৰাকেইটাইনো কি কিতাপ চাই আছে তাকে চাবলৈ সিহঁতৰ অলপ কাষ চাপি গ'ল। 'দেখিছনে নাই বুঢ়ীৰ ষ্টাইল?' তেওঁ সিহঁতৰ এটাই কোৱা শুনিলে। 'কি পেটলী হৈছে, মা কচম! কাভাৰটো চা না! কিবা "গৰ্ভাৱস্থাত স্বাস্থ্যৰ যতন" টাইপ কিতাপ যেনহে লাগিছে, যিটো পজ দিছে...' তেনেতে আন এটাই ক'লে, 'বাদ দে না। সেইবোৰ কি চাই আছ। কাভাৰখন দেখিলেই গম পাই ন কেনেকুৱা হ'ব। এইফালে চা। এইখন পঢ়িছ?'

অনুভা অনন্যাই গ্ৰন্থমেলা প্ৰাংগনৰ পৰা ওলাই আহি বাহিৰৰ পদপথ এটাৰ ওপৰত বহুপৰ ঠৰ লাগি থিয় দি থাকিল। হঠাতে গ্ৰন্থমেলাৰ ভিতৰলৈ সোমাব খোজা পিক্-আপ্ ভেন এখনৰ হৰ্ণৰ শব্দতহে তেওঁৰ সম্বিৎ ঘূৰি আহিল। তেওঁ গাড়ীখনৰ বাটৰ পৰা আঁতৰি দিওতে সমুখৰ লাইটৰ খুটা দুটাৰ মাজত ওলমি থকা কিতাপ এখনৰ বিজ্ঞাপন এখনত তেওঁৰ চকু পৰিল—'প্ৰকাশ পালে কুমাৰ কুমাৰৰ প্ৰথম কাব্যগ্ৰন্থ *প্ৰেমঘোষা*।' বিজ্ঞাপনখনত কিতাপখনৰ বেটুপাতৰ ছবি এখন আৰু কাষত কুমাৰ কুমাৰৰ ক'লা চছমা পিন্ধা গম্ভীৰ মুখাৱয়ব। অনুভা অনন্যাৰ তেতিয়া ল'ৰাকেইটাৰ কোনোবাটোৱে কোৱা কথাষাৰ মনত পৰিল—কাভাৰখন দেখিলেই গম পাই ন কেনেকুৱা হ'ব। তেওঁৰ মনটো গভীৰ হতাশাই হেচাঁ মাৰি ধৰিলে। সেইবাৰ চেন্নাইৰ চেমিনাৰখনত নায়াৰে তেওঁক ঠিকেই কৈছিল, যে অসমীয়াত লিখাতকৈ ইংৰাজীতে লিখা। অৰ এট্ লিষ্ট ট্ৰাই টু গে'ট য়ৰ ৱৰ্কচ ট্ৰান্সলেইটেড্ ইনটু ইংলিশ্ব। ডেয়াৰ ইজ্ ন' প্ৰছপে" ইন্ ৰিজন্যাল লেংগুৱেজেচ।'

অনুভা অনন্যাই থিৰ কৰিলে যে তেওঁৰ পৰৱৰ্তী উপন্যাসখন তেওঁ ইংৰাজীতেই লিখিব। অৰ্ এট্ লিষ্ট আই কেন ট্ৰাই। ডেয়াৰছ্ নাথিং ৰং টু ট্ৰাই। তেওঁ ভাবিলে। এনেকুৱা মানুহৰ কাৰণে লিখি কি লাভ, যি কিতাপৰ কাভাৰ চাই কিতাপৰ ভেল্যিউ জ্জাজ্ কৰে?

- পুঁজিবাদৰ সংকটে মূল্যবৃদ্ধিত অৰিহণা যোগাইছে
- ভাৰতীয় মুদ্ৰাৰ শেহতীয়া গতিবিধি ঃ মুক্ত পতন আৰু মুদ্ৰাস্ফীতি
- ৰাষ্ট্ৰৰ অৰ্থনৈতিক নিয়ন্ত্ৰণ আৰু মূল্যবৃদ্ধি — এটি বহুচৰ্চিত উপাখ্যানৰ পুনৰ বিশ্লেষণ
- বান্ধোন ঃ এখন ৰাজনৈতিক চলচ্চিত্ৰ
- মুক্ত দেশৰ গুপ্ত কথা

# নতুন পদাতিক

ISSN 2250-3471
প্ৰকাশ কাল - ১ ছেপ্টেম্বৰ, ২০১৩
মুখ্য সম্পাদক-ড° হীৰেন গোহাঁই

